# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 10-02-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ আজি অসমৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। এই অনুসৰি ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

ৰাজ্যিক নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুযায়ী আজি প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকা সম্পৰ্কীয় যিকোনো দাবী আৰু আপত্তি অহা ১৫ দিনৰ ভিতৰত সংশ্লিষ্ট জিলা দণ্ডাধীশৰ ওচৰত দাখিল কৰিব পৰা যাব। এই প্ৰক্ৰিয়াত সন্তুষ্ট নহ'লে যিকোনো আবেদন ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পৰা যাব। আজি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে বৰাক উপত্যকাৰ জিলাকেইখনত ভোটদাতাৰ সংখ্যা লক্ষণীয়ভাৱে হ্ৰাস পাইছে। গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত দিছপুৰ সমষ্টিত ভোটদাতাৰ সংখ্যা ২ দশমিক ৭ শতাংশ, ডিমৰীয়া সমষ্টিত ১ দশমিক ৯ শতাংশ, নিউ গুৱাহাটী সমষ্টিত ২ দশমিক ৩-৯ শতাংশ, মধ্য গুৱাহাটী সমষ্টিত ৩ দশমিক ৩ শতাংশ আৰু জালুকবাৰী সমষ্টিত ভোটদাতাৰ সংখ্যা ২ দশমিক ০-৯ শতাংশ হ্ৰাস পাইছে।

বৰপেটা নিৰ্বাচনী জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰাৰ পাছত জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাখনত অনুজ্ঞাপত্ৰ থকা মাৰণাস্ত্ৰসমূহ নিকটৱৰ্তী আৰক্ষী থানাত জমা দিবলৈ আহ্বান জনায়।

**বাইট (ৰোহন কুমাৰ ঝা)**

মৰিগাওঁ জিলাতো আসন্ন নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি সকলো পঞ্জীয়নভুক্ত আগ্নেয়াস্ত্ৰৰ গৰাকীক তেওঁলোকৰ অস্ত্ৰসমূহ ওচৰৰ থানাত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। এই সন্দৰ্ভত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে নিৰ্দেশনা জাৰি কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যুৱ প্ৰজন্ম সকলক বজাৰ আৰু কৃষিৰ নেতৃত্ব বহন কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা

আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ৰাজ্যত ১৫ লাখৰো অধিক কৰ্ম সংস্থাপনহীন যুৱক-যুৱতী আছে আৰু অকল চৰকাৰী চাকৰিৰে এই সমস্যাৰ সমাধান কৰিব পৰা নাযাব। চৰকাৰে উদ্যমশীলতাত উদগণি যোগোৱাৰ লগতে যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল হৈ উঠিবলৈ সহায় আগবঢ়াই কৰ্মসংস্থাপন প্ৰদানকাৰী গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে বুলি ড০ শৰ্মাই মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত আয়োজিত এটা অনুষ্ঠানত বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰিব। বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী সম্ভাব্য উদ্যোগীয়ে এই ধন লাভ কৰিব। সাধাৰণ শাখাৰ প্ৰতিগৰাকীয়ে দুই লাখ টকা আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব। দিনৰ ১ বজাৰ পৰা হ'বলগীয়া অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকিব। ০০০০

০০০০০

কাৰ্বি আংলং জিলাৰ বিদেশী ন্যায়াধীকৰণ আদালতে লেংৰি থানাৰ অধীনৰ তাজুদ্দিন, খুৰছিত আলী আৰু তিলাবস্তিৰ আমিৰ হুছেইন নামৰ ৩ জন লোকক বিদেশী বুলি চিহ্নিত কৰি ২৪ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যাবলৈ নিৰ্দেশ দিছে। আদালতে লগতে নিৰ্দেশটো অমান্য কৰিলে আইনমতে দণ্ডনীয় হ'ব বুলি সকিয়াই দিছে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিকাশ আৰু অঞ্চলটোৰ পৰ্যটনৰ সম্ভাৱনা দেশে-বিদেশে প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে উত্তৰ-পূব ভাৰতীয় পৰ্যটন সংঘই ১৩ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈ ৰাষ্ট্ৰীয় পৰ্যটন সন্মিলন আয়োজন কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ আঠ ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য, নয়নাভিৰাম প্ৰাকৃতিক সৌন্দৰ্য আৰু দুঃসাহসিক পৰ্যটনৰ সম্ভাৱনা বিশ্বৰ সন্মুখত দাঙি ধৰিবলৈ এই কাৰ্যসূচী লোৱা হৈছে। সন্মিলনৰ অংশ হিচাপে আয়োজিত অনুষ্ঠানত উত্তৰ-পূবৰ আটাইকেইখন ৰাজ্যৰ পৰ্যটন খণ্ডৰ অংশীদাৰ, চৰকাৰী প্ৰতিনিধি আৰু ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধিসকলে অংশ ল'ব। ছদিনীয়া কাৰ্যসূচীত মত বিনিময় অনুষ্ঠান, নেটৱৰ্কিং সন্মিলন, পৰ্যটনস্থলী প্ৰদৰ্শনী আৰু উত্তৰ-পূবৰ বৈচিত্ৰময় তথা অতুলনীয় পৰ্যটন অভিজ্ঞতা ল'ব পৰাকৈ ক্ষেত্ৰভিত্তিক ভ্ৰমণৰ ব্যৱস্থা থাকিব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**